# সফলতাৰ কাহিনী

| | | |
|---|---|---|
| কৃষকৰ নাম | ঃ | শ্ৰীলীলা শইকীয়া |
| ঠিকনা | ঃ | গাওঁ - গমাৰীগুৰি, মেৰাপানী |
| | | মহকুমা আৰু জিলা - গোলাঘাট |
| গাওঁ পঃ কৃঃ সঃ কৰ্মীৰ এলেকা | ঃ | গমাৰীগুৰি |
| কৃষি উঃ বিষয়াৰ চক্ৰ | ঃ | মেৰাপানী |

**কৃষকৰ পৰিচয় ঃ** শ্ৰীলীলা শইকীয়া গমাৰীগুৰি গাঁৱৰ এজন শিক্ষিত নিবনুৱা যুৱক। তেওঁ 'আদিত্য' নামেৰে নিৱনুৱা আত্মসহায়ক গোট ১৪ জন সদস্যৰে ২০০১ চনত গঠন কৰে। তেওঁলোকে উন্নত জাতৰ বিলাহীৰ খেতি ব্যৱসায় ভিত্তিত কৰি যথেষ্ট লাভবান হৈছে। বিলাহী খেতিত শস্যৰক্ষা আৰু প্ৰতিপালনৰ বাবে গোলাঘাট কৃষি বিষয়াৰ কাৰ্যালয় আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰাও দিহা পৰামৰ্শ লৈ অধিক উৎপাদন কৰিবলৈ সক্ষম হৈছে। অৱশ্যে ১ম বছৰত (২০০১-০২) বজাৰত বিলাহীৰ মূল্য কমি যোৱাত সমস্যাত পৰিছিল। তেতিয়া জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়ৰ পৰা পোৱা পৰিবহনৰ বাবদ ৰাজ সাহায্যৰ যোগেদি শিৱসাগৰ (ও.এন.জি.চি)ৰ কলনী বজাৰত বিক্ৰী কৰি লাভবান হয়। পিছৰ বছৰত ২০০২-০৩ বৰ্ষত জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা এখন ডাঙৰ ট্ৰেক্টৰ শতকৰা ৫০ ভাগ ৰেহাই মূল্যত লাভ কৰাত অধিক উদ্যমেৰে বিভিন্ন খেতি কৰি লাভবান হৈছে।

যোৱা বছৰ ওপৰোক্ত আদিত্য গোটৰ এটা নতুন শাখা 'দৈয়াং এপ্ৰিল মিছন' শ্ৰীলীলা শইকীয়াৰ নেতৃত্বত ৩ নং গমাৰিগুৰিত গঠন কৰে। গোলাঘাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ে 'প্ৰযুক্তিৰ অভিযান' আঁচনিৰ অধীনত ২০০৩-০৪ বৰ্ষত এই নতুন গোটটো লৈ ৩৭.৫ বিঘা মাটিত আদাখেতি কৰিবৰ বাবে ৩,১৪,৫০০.০০ টকা আৰু ১১২.৫ বিঘা মাটিত বিলাহী খেতি কৰিবৰ বাবে ৩,৪৫,০০০.০০ টকা ৰাজ সাহায্যৰ বাবে অনুমোদন জনাইছে। কৃষি বিভাগৰ তত্বাৱধানত ইতিমধ্যে বীজ ৰোপন প্ৰক্ৰিয়া আৰম্ভ হৈছে। গোটটোৱে বছৰৰ বাৰ মাহেই কৃষিত আত্মনিয়োগ কৰি নিজৰ লগতে আন আত্মসহায়ক গোটৰ বাবেও আদৰ্শস্বৰূপ হৈ পৰিছে।

(উৎস ঃ জিলা কৃষি বিষয়া, গোলাঘাট জিলা)